**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

---------------------------

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ্ আই টি আজি ৰাজ্যৰ ১৩ গৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। অৱশ্যে ইয়াৰে কেইবাগৰাকীও ব্যক্তিয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰা নাই আৰু বৈঠকত উপস্থিত থাকিব নোৱাৰে বুলি প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰসন্থাই এই আলোচনাত অংশ নলয় বুলি স্পষ্ট কৰি দিছে।

ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়াসকলৰ পাঁচগৰাকীয়ে এই পৰ্যন্ত অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ আগত ভাষ্য প্ৰদান কৰিছে। কালি আটাইকেইগৰাকী প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জিঅ'লাংছাত নাৰ্জাৰী নামৰ লোক তিনিজনক এছ্ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। বিয়লি প্ৰবাসী অসমীয়া ভাস্কৰজ্যোতি দত্তই এছ্ আই টিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়ে। ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতাই এছ্ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। ছিংগাপুৰ আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে আৰু তেওঁলোকে বিচৰা তথ্য অসম আৰক্ষীয়ে যোগান ধৰিছে বুলি এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰে। ইপিনে, নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেন্সিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিচেৰা পৰীক্ষাৰ প্ৰতিবেদনে তদন্তক নতুন গতি দিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

ছিংগাপুৰৰ ঘটনাস্থলীৰ জুবিন গাৰ্গৰ অন্তিম সময়ৰ সম্পূৰ্ণ ভিডিঅ' এছ্ আই টিয়ে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। জুবিন গাৰ্গৰ সহগায়িকা তথা অভিযুক্ত কাৰাবন্দী অমৃত প্ৰভা মহন্তই নিজৰ মোবাইলত আবদ্ধ কৰা এই ভিডিঅ' মচি পেলোৱাৰ পাছত অসম আৰক্ষীৰ তথ্য প্ৰযুক্তি বিশেষজ্ঞই এই ভিডিঅ'সমূহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। মৰমী দাসৰ নেতৃত্বত এছ্ আই টিৰ এটা দল কালি জুবিন গাৰ্গৰ কাহিলীপাৰাৰ বাসগৃহত উপস্থিত হৈ ভিচেৰা পৰীক্ষাৰ প্ৰতিবেদন সম্পৰ্কে পৰিয়ালক অৱগত কৰে। তদন্ত প্ৰক্ৰিয়া প্ৰয়োজনতকৈ বেছি খৰতকীয়া কৰিলে তদন্ত আধৰুৱা হোৱাৰ আশংকা থকা হেতুকে জনসাধাৰণক ধৈৰ্য্য সহকাৰে বিচাৰ প্ৰক্ৰিয়াৰ সামৰণিৰ বাবে অপেক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

০০০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যজুৰি আৰম্ভ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩৯টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক

পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে। এই স্বাস্থ্য শিবিৰ সমূহত ৫০ টাতকৈ অধিক ৰোগৰ পৰীক্ষা বিনামূলীয়াকৈ কৰা হৈছে। ৰাজ্য চৰকাৰৰ এই স্বাস্থ্য মেলাৰ অংশ হিচাপে বিশ্বনাথ, কাছাৰ, কামৰূপ মহানগৰ, নগাঁও আৰু তিনিচুকীয়াত আজি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি বিধানসভা ভিত্তিক মেগা স্বাস্থ্য মেলাকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰাৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। কোকৰাঝাৰ জিলাৰ পাঁচটা সমষ্টিত চৰকাৰে বড়োলেণ্ড স্বায়ত্বশাসিত পৰিষদৰ সহযোগত এই স্বাস্থ্য মেলাৰ আয়োজন কৰিছে।

*(বাইট)*

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিত এই শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে আজি চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হৈছে। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে ১৬ অক্টোবৰত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত কাইলৈ এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলাতো সমষ্টি ভিত্তিত আজি মেগা স্বাস্থ্যশিবিৰ অনুষ্ঠিত হৈছে। বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় প্ৰাংগণত এই মেগা স্বাস্থ্য শিবিৰৰ আৰম্ভণি কৰা হৈছে।

০০০০০০০

কামৰূপ জিলাত আজি অসম বিধানসভাৰ হিচাপ পৰীক্ষণ সমিতিৰ পৰ্যৱেক্ষণৰ বাবে অসম বিধানসভাৰ হিচাপ পৰীক্ষক সমিতিৰ অধ্যক্ষ নৰুল হুদাৰ লগতে সদস্য বিধায়ক কৰিমুদ্দিন বাৰভূঞা, বিধায়ক আব্দুল ৰছিদ মণ্ডলৰ লগতে পৰীক্ষক সমিতিৰ বিষয়া উপস্থিত থাকে। প্ৰথমে কামৰূপৰ আমিনগাঁওস্থিত লোকনিৰ্মাণ বিভাগৰ সভাকক্ষত অসম বিধানসভাৰ হিচাপ পৰীক্ষক সমিতিৰ জিলা আয়ুক্তৰ লগত আলোচনাত মিলিত হয়। আলোচনাত সমিতিক জিলা আয়ুক্তৰ তৰফৰ পৰা কামৰ খতিয়ান দাঙি ধৰা হয়। তাৰ পাছতে হিচাপ পৰীক্ষাক সমিতিয়ে আমিনগাঁৱৰ লোকনিৰ্মাণ বিভাগৰ ভৱন নিৰ্মাণ, তুলাৰাম বাফনা জিলা অসামৰিক চিকিৎসালয়, কৃষি, জনস্বাস্থ কাৰিকৰী বিভাগৰ কেইবাটাও স্থান পৰিদৰ্শন কৰে।

০০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি মৰিগাঁও দিৱসৰ দ্বিতীয় দিনা চাৰণবিলৰ পাৰত পতাকা উত্তোলন কৰে। মন্ত্ৰী হাজৰিকাই সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন অনুষ্ঠানৰ ভূমিপূজনত অংশগ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**